**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-05-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***----------------------***

১। লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ত ৬১ দশমিক ৭ - ৬ শতাংশ ভোটগ্ৰহণ। ১ জুনত হ'বলগীয়া অন্তিম পৰ্যায়ৰ বাবে শাসক-বিৰোধীৰ প্ৰচাৰ অভিযান অব্যাহত।

২। ৰাজ্যত বৰ্ধিত তাপমাত্ৰাত জনজীৱন ব্যাহত। গৰমৰ বাবে বিদ্যালয়ৰ পাঠদানৰ সময়সূচী সলনি।

৩। ৰেমল ঘূৰ্ণীৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ সতৰ্কতা জাৰি। আজিৰপৰা ৰাজ্যৰ কেইবাখনো জিলাত বৰষুণৰ সম্ভাৱনা।

৪। নিৰ্দিষ্ট থানা এলেকাৰ ভিতৰত নথকাকৈও যিকোনো নাগৰিকে অপৰাধ সন্দৰ্ভত আৰক্ষীক অভিযোগ দাখিল কৰিব পৰাকৈ ব্যৱস্থাৰ সংশোধন কৰা হ'ব বুলি অসম আৰক্ষীৰ অতিৰিক্ত সঞ্চালকপ্ৰধান মুন্নাপ্ৰসাদ গুপ্তাৰ প্ৰকাশ।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ছানৰাইজাৰ্ছ হায়দৰাবাদ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি।

০০০০০০

লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ত কালি ৬খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৮টা সমষ্টিত ৬১ দশমিক ৭-৬ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। এই পৰ্যায়ত উত্তৰ প্ৰদেশৰ ১৪টা, হাৰিয়ানাৰ ১০টা, বিহাৰৰ ৮টা, পশ্চিমবংগৰ ৮টা, দিল্লীৰ ৭টা, ওড়িশাৰ ৬টা, ঝাৰখণ্ডৰ ৪টা আৰু জম্মু-কাশ্মীৰৰ এটা সমষ্টি সামৰি লোৱা হয়। বিহাৰত ৫৫ দশমিক ২-৪ শতাংশ, ঝাৰখণ্ডত প্ৰায় ৬৪, দিল্লীত প্ৰায় ৫৮, ওড়িশাত ৭০ দশমিক ৯-৯, উত্তৰ প্ৰদেশত ৫৪ দশমিক ০-৩, পশ্চিমবংগত ৮০ দশমিক ০-৬, হাৰিয়ানাত ৬২ দশমিক ০-৯ আৰু জম্মু-কাশ্মীৰত ৫৪ দশমিক ৪-৬ শতাংশ ভোটদান হয়।

ভোটগ্ৰহণৰ সামৰণি পৰাৰ লগে লগে এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা ৮৮৯গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্যও ই ভি এম বন্দী হয়। ষষ্ঠ পৰ্যায়ত নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ ভিতৰত বিজেপিৰ জ্যেষ্ঠ নেতা মানেকা গান্ধী, ধৰ্মেন্দ্ৰ প্ৰধান, মনোহৰ লাল খট্টৰ, মনোজ তিৱাৰী, কংগ্ৰেছৰ দীপেন্দ্ৰ সিং হুদা, কুমাৰী ছেলজা, ৰাজবাববৰ, কানহাইয়া কুমাৰ, সমাজবাদী পাৰ্টীৰ ধৰ্মেন্দ্ৰ যাদৱ আৰু পি ডি পিৰ মুৰব্বী মেহবুবা মুফ্‌টি অন্যতম।

লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ সমান্তৰালভাৱে কালি ওড়িশা বিধানসভাৰ ৪২ খন আসনৰ বাবেও ভোটগ্ৰহণ সম্পন্ন হয়। ওড়িশা বিধানসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত সামৰি লোৱা এই সমষ্টি কেইটাত ৭০ দশমিক ৯-৯ শতাংশ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে।

ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণ সম্পন্ন হোৱাৰ লগে লগে ২৮ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৪৮৬টা সংসদীয় সমষ্টিত নিৰ্বাচন সম্পূৰ্ণ হৈছে। ইয়াৰ লগতে অৰুণাচল প্ৰদেশ, ছিকিম, অন্ধ্ৰপ্ৰদেশৰ বিধানসভা

নিৰ্বাচন আৰু ওড়িশা বিধানসভাৰ ১০৫ খন আসনৰ বাবে ভোটগ্ৰহণ সম্পন্ন হৈছে। লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ত অহা ১ জুনত ৫৭টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৪ জুনত ভোটগণনা কৰা হ'ব।

০০০০০০

দেশত লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিভিন্ন দলৰ নেতাসকলে ভোটদাতাৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। এই পৰ্যায়ত পহিলা জুনত ৭ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৭টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। সপ্তম পৰ্যায়ত মুঠ ৯০৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কালি বিহাৰৰ বক্সাৰ সংসদীয় সমষ্টিৰ অহিৰৌলীত এখন নিৰ্বাচনী সভাত ভাষণ দি লোকসভা নিৰ্বাচনত আই এন ডি আই মিত্ৰজোঁটৰ পতন ঘটিব বুলি দাবী কৰে। ইয়াৰ পূৰ্বে তেওঁ কাৰাকাট আৰু পাতলিপুত্ৰ সংসদীয় সমষ্টিত দুখন নিৰ্বাচনী সভাত অংশ লয়। শ্ৰীমোদীয়ে উত্তৰ প্ৰদেশৰ গাজিপুৰতো দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলায়। আনহাতে সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱৰ পত্নী ডিম্পল যাদৱ আৰু কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ৱাদ্ৰাই কালি বাৰাণসীত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। আনহাতে কংগ্ৰেছৰ সাধাৰণ সম্পাদকগৰাকীয়ে সমাজবাদী পাৰ্টীৰ ৰাষ্ট্ৰীয় সভাপতি অখিলেশ যাদৱৰ সৈতে গোৰখপুৰত এখন নিৰ্বাচনী সভাতো ভাগ লয়। প্ৰিয়ংকা গান্ধী ৱাদ্ৰাই তেওঁৰ ভাষণত কয় যে, এন ডি এ চৰকাৰৰ ভুল নীতিৰ বাবেই দেশত মুদ্ৰাস্ফীতি আৰু কৰ্মসংস্থাপনহীনতা বৃদ্ধি পাইছে আৰু জনসাধাৰণ বিভিন্ন সমস্যাৰ সন্মুখীন হৈছে।

উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা যোগী আদিত্য নাথে কালি ছালেমপুৰ, বলিয়া আৰু চান্দৌলিত দলীয় প্ৰাৰ্থীৰ হকে নিৰ্বাচনী সভাত অংশ লয়। ইপিনে বহুজন সমাজপাৰ্টীৰ মুৰব্বী মায়াৱতীয়ে গোৰখপুৰত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে।

০০০০০০

আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰা মতে আজিৰ পৰা অহা ২৯ মে'লৈ ৰাজ্যৰ কেইবাখনো জিলাত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি অসমৰ লগতে মিজোৰাম, অৰুণাচল প্ৰদেশ, মণিপুৰ আৰু নাগালেণ্ডৰ কেইবাটাও স্থানত বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে। এই সময়ছোৱাত অসম আৰু ত্ৰিপুৰাৰ কোনো কোনো স্থানত গ্ৰীষ্ম প্ৰবাহৰ সম্ভাৱনা আছে। কাইলৈৰ পৰা ২৯ মে'লৈ অসমৰ লগতে নাগালেণ্ড, ত্ৰিপুৰা, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ ভালেকেইখন জিলাত বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আনহাতে, ৰাজ্যৰ বিভিন্ন স্থানত বৰ্ধিত তাপমাত্ৰাৰ বাবে জনসাধাৰণৰ জীৱনযাত্ৰা ব্যাহত হৈ পৰিছে। গৰমৰ এই সময়ছোৱাত গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন স্থানত শীতল পানীয়ৰ চাহিদা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি পি সিঙে সামাজিক মাধ্যমযোগে ঘৰ, কাৰ্যালয়, বাণিজ্যিক প্ৰতিষ্ঠান আদিৰ সমীপত কৰ্তব্যৰত আৰক্ষীসকলক পানী যোগান ধৰিবলৈ ৰাইজলৈ আহ্বান জনাইছে। লগতে আৰক্ষীৰ লোকসকলকো নিজাববীয়াকৈ খোৱাপানী বটল লগত ৰাখিবলৈ আৰক্ষীৰ সঞ্চালকপ্ৰধানগৰাকীয়ে অনুৰোধ জনাইছে।

০০০০০০

গৰমৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ প্ৰায়বোৰ জিলাৰ বিদ্যালয়সমূহৰ পাঠদানৰ সময়সূচী সাল-সলনি কৰা হৈছে। কামৰূপ মহানগৰ, চিৰাং আৰু শোণিতপুৰ জিলা প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ নিৰ্ধাৰণ কৰা হৈছে। একেদৰে মাধ্যমিক

বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া চাৰে ১২ বজালৈ, উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ পাঠদানৰ সময় পুৱা চাৰে ৭ বজাৰ পৰা দুপৰীয়া ১ বজালৈ নিৰ্ধাৰণ কৰা হৈছে।

একেদৰে, মৰিগাঁও জিলাৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৭ বাজি ৩০ মিনিটৰ পৰা ১১ বাজি ১৫ মিনিটলৈ আৰু  উচ্চ প্ৰাথমিক শ্ৰেণীৰ পাঠদানৰ সময় পুৱা ৭ বাজি ৩০ মিনিটৰ পৰা দুপৰীয়া ১ বাজি ১৫ মিনিটলৈ নিৰ্ধাৰণ কৰা হৈছে। জিলাখনৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৭ বাজি ৩০ মিনিটৰ পৰা দুপৰীয়া ১ বাজি ৫৫ মিনিটলৈ ধাৰ্য কৰা হৈছে।

বঙাইগাঁও জিলাৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৭ বজাৰ পৰা ১০ বজালৈ আৰু মধ্য ইংৰাজী বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৭ বজাৰ পৰা ১১ বজালৈ নিৰ্ধাৰণ কৰা হৈছে। একেদৰে জিলাখনত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৭ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ নিৰ্ধাৰণ কৰা হৈছে।

ইপিনে, কাৰ্বি আংলং জিলাৰ প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৮ বজাৰ পৰা দুপৰীয়া চাৰে ১২ বজালৈ নিৰ্ধাৰণ কৰা হৈছে। জিলাখনৰ মাধ্যমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৮ বজাৰ পৰা দুপৰীয়া ১ বজালৈ, উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পাঠদানৰ সময় পুৱা ৮ বজাৰ পৰা দুপৰীয়া ডেৰ বজালৈ নিৰ্ধাৰণ কৰা হৈছে।

তদুপৰি শিক্ষানুষ্ঠানসমূহক পৰ্যাপ্ত শীতল খোৱাপানীৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশনা জাৰি কৰা হৈছে। গ্ৰীষ্ম প্ৰবাহৰ ফলত স্বাস্থ্যজনিত সমস্যাত ভোগা শিক্ষাৰ্থীক চিকিৎসাৰ ব্যৱস্থা কৰিবলৈও নিৰ্দেশনা জাৰি কৰা হৈছে। ইয়াৰ উপৰি বিদ্যালয়সমূহত মুকলি আকাশৰ তলত খেলা-ধূলা আৰু প্ৰাতঃ সভা আদি নকৰিবলৈ নিৰ্দেশনা জাৰি কৰা হৈছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে বিদ্যালয়সমূহক নিৰ্দেশনাসমূহ মানি চলিবলৈ আহ্বান জনাইছে লগতে এই সময়ত হ'ব পৰা ৰোগৰ পৰা মুক্ত হৈ থাকিবলৈ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ৰেমল নামৰ ঘূৰ্ণী বতাহ জাকৰ আশংকাত উত্তৰ-পূৰ্বাঞ্চল আৰু বাংলাদেশৰ বাবে সতৰ্কতা জাৰি কৰিছে। বতাহ জাকে আজি পশ্চিমবংগত খুন্দা মৰাৰ সম্ভাৱনা আছে। বতাহ জাকৰ প্ৰভাৱত বাংলাদেশ আৰু পশ্চিবংগৰ উপকূলীয় অঞ্চলত ধাৰাসাৰ বৰষুণ অহাৰ আৰু প্ৰচণ্ড বতাহ বলাৰ সম্ভাৱনা আছে। পশ্চিমবংগ, বাংলাদেশৰ উপকূল ভাগ, ত্ৰিপুৰা আৰু উত্তৰ পূৰ্বাঞ্চলৰ আন কেইখনমান ৰাজ্যত বতাহজাকৰ প্ৰভাৱ পৰিব পাৰে।

০০০০০০

অসম চৰকাৰৰ আৰক্ষী বিভাগে জনসাধাৰণক ন্যায় প্ৰদানৰ ব্যৱস্থা অধিক খৰতকীয়া তথা সুলভ কৰি তোলাৰ উদ্দেশ্যে ভালেমান ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণৰ দিশে আগবাঢ়িছে। অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান মুন্নাপ্ৰসাদ গুপ্তাই কালি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ **দৃষ্টিপাত** অনুষ্ঠানত ভাগ লৈ এই কথা প্ৰকাশ কৰে। দেশত বলৱৎ হ'বলগীয়া **নতুন ফৌজদাৰী আইন**ৰ প্ৰসংগত হোৱা এই আলোচনাৰ অনুষ্ঠানত শ্ৰী গুপ্তাই কয় যে মহিলা আৰু শিশুৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ ক্ষেত্ৰত ভুক্তভোগীক ন্যায় প্ৰদানৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। একেদৰে নিৰ্দিষ্ট একোখন থানা এলেকাৰ ভিতৰত নথকাকৈও যিকোনো নাগৰিকে অপৰাধ সন্দৰ্ভত আৰক্ষীক অভিযোগ দাখিল কৰিব পৰাকৈ ব্যৱস্থাৰ সংশোধন কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে।

ভাৰতীয় ন্যায় সংহিতা, নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰি শীৰ্ষ আৰক্ষী বিষয়াগৰাকীয়ে সাক্ষীক সুৰক্ষা প্ৰদানকে ধৰি ভালেমান বিষয়ত উল্লেখনীয় পৰিৱৰ্তন সাধন কৰিবলৈ বিচৰা হৈছে বুলি প্ৰকাশ কৰে। তেওঁ লগতে তথ্য প্ৰযুক্তিৰ উন্নতিৰ সাম্প্ৰতিক সময়ছোৱাত সামাজিক মাধ্যম আৰু বৈদ্যুতিন সা-সঁজুলিৰ উপযুক্ত ব্যৱহাৰৰ জৰিয়তে অপৰাধ আৰু অপৰাধীক প্ৰতিহত কৰাৰ বিষয়তো গুৰুত্ব আৰোপ কৰে।

০০০০০০

নিৰ্বাচন আয়োগে লোকসভা নিৰ্বাচনৰ হৈ যোৱা পাঁচটা পৰ্যায়ৰ ভোটগ্ৰহণৰ সম্পূৰ্ণ তথ্য কালি প্ৰকাশ কৰিছে। নিৰ্বাচনৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ত আয়োগে প্ৰকাশ কৰা ভোটদানৰ হাৰ বিসংগতিপূৰ্ণ বুলি বিৰোধী ৰাজনৈতিক দলসমূহে কৰি অহা অভিযোগক নসাৎ কৰি কালি আয়োগে ভোটদানৰ হাৰ সাল-সলনি কৰাটো সম্ভৱ নহয় বুলি স্পষ্ট কৰি দিছে। উল্লেখযোগ্য যে বুথ পৰ্যায়ৰ ভোটদানৰ হাৰ আয়োগক প্ৰকাশ কৰিবলৈ নিৰ্দেশনা দিব লাগে বুলি উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰা হৈছিল যদিও যোৱা ২৪ মে'ত ন্যায়ালয়ে এই আবেদন অগ্ৰাহ্য কৰি আয়োগক নিৰ্দেশনা দিবলৈ অস্বীকাৰ কৰিছিল।

০০০০০০

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে অহা ৪ জুনত লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৱা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা আকাশবাণীৰ সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWS ON AIR এপ, আমাৰ ইউটিউব চেনেল AIR NEWS GUWAHATI আৰু X হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

ছানৰাইজাৰ্ছ হায়দৰাবাদ আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত  কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱালিফায়াৰ খেলত ৰাজস্থান ৰয়েলছক ৩৬ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে কলকাতা নাইট ৰাইডাৰ্ছে প্ৰথমখন কোৱালিফায়াৰ খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদক পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০০

অলিম্পিকত পদক বিজেতা পি ভি সিন্ধু আজি  কোৱালালামপুৰত অনুষ্ঠিত মালয়েছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ফাইনেলত চীনৰ ঝি য়ি ৱাঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় বেডমিণ্টন খেলুৱৈগৰাকীয়ে কালি ছেমি ফাইনেলত থাইলেণ্ডৰ বুছানন অংবামৰাংফানক ১৩-২১, ২১-১৬, ২১-১২ গেমত পৰাস্ত কৰে। আনহাতে বাঙে নিজ দেশৰে য়ি মেন ঝাঙক ২১-৯, ২১-১১ পোনপটীয়া গেমত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০০

জাপানৰ কোবেত অনুষ্ঠিত বিশ্ব পেৰা এথলেটিক্স চেম্পিয়নশ্বিপত ভাৰতৰ ছিমৰন শৰ্মাই সোণৰ পদক লাভ কৰিছে। ছিমৰনে কালি প্ৰতিযোগিতাৰ মহিলাৰ ২০০ মিটাৰ টী-টুৱেল্ভ শাখাৰ ফাইনেলত ২৪ দশমিক

৯-৫ ছেকেণ্ডত এই যোগ্যতা অৰ্জন কৰে। উল্লেখযোগ্য যে ভাৰত এইবাৰ বিশ্ব পেৰা এথলেটিক্স চেম্পিয়নশ্বিপত ছটা সোণৰ পদক সহ মুঠ ১৭ টা পদকেৰে ষষ্ঠ স্থানত থাকে।

০০০০০০

২ জুনত আৰম্ভ হ'বলগীয়া টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে অধিনায়ক ৰোহিত শৰ্মাসহ ভাৰতীয় খেলুৱৈৰ প্ৰথমটো দল কালি আমেৰিকালৈ ৰাওনা হয়। দলটোত ৰোহিত শৰ্মাৰ উপৰি যশপ্ৰীত বুমৰাহ, সূৰ্য কুমাৰ যাদৱ, ৰবীন্দ্ৰ জাদেজা, শিৱম ডুবে, মহম্মদ ছিৰাজ, অৰ্শদীপ সিং, খলিল আহমেদ, কুলদীপ যাদৱ, অক্ষৰ পেটেল, মুখ্য প্ৰশিক্ষক ৰাহুল দ্ৰাবিড় আৰু বেটিং প্ৰশিক্ষক বিক্ৰম ৰাথোৰ আছে। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ৱেষ্ট ইণ্ডিজে ২ জুনৰ পৰা ২৯ জুনলৈ যুটীয়াভাৱে টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভাৰতে নিউয়ৰ্কৰ নৱনিৰ্মিত নাছাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত ৫ জুনত আয়াৰলেণ্ডৰ বিৰুদ্ধে হ'বলগীয়া খেলেৰে প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰিব। ভাৰত ৯ জুনত পাকিস্তানৰ, ১২ জুনত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ১৫ জুনত কানাডাৰ সন্মুখীন হ'ব।

০০০০০০

দেশত লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ কালি হৈ যোৱা ভোটগ্ৰহণৰ বাতৰিটো গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন বাতৰি কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে এই বাতৰিটো দেশত ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণ সম্পন্ন, ভোটদানৰ হাৰ ৫৯ দশমিক ০-৬ শতাংশ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে অসমীয়া প্ৰতিদিন কাকত, নিয়মীয়া বাৰ্তা আদি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

গৰমে দহিছে সমগ্ৰ ৰাজ্য, ৰাজ্যত শেহতীয়াকৈ তাপমাত্ৰা উৰ্ধগামী হোৱা সন্দৰ্ভত অসমীয়া খবৰ কাকতে ৰাজ্যত উৎকট গৰমত চৌদিশে হাহাকাৰ, গুৱাহাটীত সৰ্বকালৰ অভিলেখ ভংগ শিৰোনামেৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতে প্ৰথম ভাৰতীয় হিচাপে বিশ্ব ক্ৰীড়াত অসম সন্তানে গঢ়িলে স্বৰ্ণিল ইতিহাস, বিশ্ব যুৱ ভাৰোত্তোলনত বেদব্ৰতৰ স্বৰ্ণ শিৰোনামেৰে বাতিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গ্ৰীষ্ম প্ৰৱাহত বিদ্যুৎ সংকটৰ গ্ৰাসত অসম, বিগত বৰ্ষৰ ২ হাজাৰ ৪০০ৰ পৰা ২ হাজাৰ ৫০০ মেগাৱাটৰ বিপৰীতে বতৰৰ অস্বাভাৱিক পৰিৱৰ্তনত এতিয়া প্ৰয়োজন ৩ হাজাৰৰ পৰা ৩ হাজাৰ ৫০০ মেগাৱাট পৰ্যন্ত শিৰোনামেৰে বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিকে ৰাজ্যজুৰি ভয়ংকৰ বিদ্যুৎ কৰ্তন শিৰোনামেৰে দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতে মহানগৰীৰ বিদ্যালয়ত কৃত্ৰিম বুদ্ধিমত্তাৰ শিক্ষয়িত্ৰী সন্দৰ্ভত চাদৰ-মেখেলা পিন্ধি শ্ৰেণীকোঠাত আইৰিছ্ এই বাতৰিটোক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

গুজৰাটৰ গেমিং জ'নত ভয়ংকৰ অগ্নিকাণ্ড, ৯টি শিশুসহ কমেও ২৫ জন নিহতৰ বাতৰিটোক আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

চাহ আৰু তেলৰ পিছতে বিশ্বত অগৰু বাবে অসম জনাজাত হ'ব লাগে বুলি মুখ্য সচিব ড০ ৰবি কোটাই কৰা মন্তব্যৰ বাতৰিটো সন্দৰ্ভত দা ছেণ্টিনেল কাকতে ASSAM WILL BE

GLOBALLY KNOWN FOR AGARWOOD, AFTER TEA AND OIL : CS KOTA শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

নিৰ্বাচন আয়োগে লোকসভা নিৰ্বাচনৰ ৫টা পৰ্যায়ৰ ভোটগ্ৰহণৰ সম্পূৰ্ণ তথ্য প্ৰকাশ কৰা বাতৰিটোক দি আছাম ট্ৰিবিউন কাকতে POLL PANEL COMES OUT WITH VOTER TURNOUT DATA OF 5 PHASES শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – বৰষুণৰ অভাৱত চাহ উদ্যোগত হাহাকাৰ, উৎপাদন বন্ধ কেঁচা পাতৰ, কৰ্তব্যৰত আৰক্ষীক খোৱাপানী দিয়ক ৰাইজে ঃ ডিজিপিৰ আহ্বান, সু-ব্যৱস্থাপনাৰে আৱৰ্জনাক সম্পদত পৰিণত কৰাত গুৰুত্ব ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

সমাপ্ত